# ডিব্ৰুগড়ৰ এম. ডি. কে. জি.ৰ হীৰক জয়ন্তীৰ অৰ্ধ মাৰাথনত
# বিজয় ডেকা আৰু ৰূপালী মুণ্ডা শ্ৰেষ্ঠ

ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ত হীৰক জয়ন্তী বৰ্ষটি (২০২২-২৩) বিভিন্ন সময়ত বিভিন্ন কাৰ্যসূচীৰে অতি উলহ-মালহেৰে পালন কৰি থকা হৈছে। হীৰক জয়ন্তী বৰ্ষৰ অন্যতম আকৰ্ষণীয় কাৰ্যসূচী সদৌ অসম ভিত্তিত অৰ্ধ মাৰাথন প্ৰতিযোগিতাখনি ইং-২৮ জানুৱাৰী তাৰিখে চাৰিটা শাখাত মুঠ ১১১ জন প্ৰতিযোগীৰ অংশগ্ৰহণেৰে অতি সফলভাৱে সামৰণি পৰে। এই প্ৰতিযোগিতাত কামৰূপ(গ্ৰাম্য)ৰ বিজয় ডেকাই পুৰুষৰ মুকলি শাখাত আৰু চৰাইদেউৰ ৰূপালী মুণ্ডাই মহিলাৰ মুকলি শাখাত শ্ৰেষ্ঠত্ব অৰ্জন কৰি নগদ ২০,০০০ হাজাৰ টকাকৈ লাভ কৰাৰ লগতে ট্ৰফি, মেডেল, মানপত্ৰ লাভ কৰিবলৈ সক্ষম হৈছে। পুৰুষৰ মুকলি শাখাত দ্বিতীয় স্থান এচখেমটাং চুবা(১৫০০০ হাজাৰ, মেঘালয়), তৃতীয় স্থান মনৌবি সিংহ (১২,০০০ হাজাৰ, হোজাই), চতুৰ্থ স্থান ৰতন উৰাং (১২০০ শ, ডিব্ৰুগড়), পঞ্চম স্থান চানিদুল ইছলাম (১২০০ শ, কামৰূপ), ষষ্ঠ স্থান হাবিবুল আহমেদ (১২০০ শ, কামৰূপ), সপ্তম স্থান সঞ্জয় ভূমিজ (১২০০ শ, মাৰ্ঘেৰিটা), অষ্টম স্থান বিকাশ চৌতাল (১২০০ শ, ডিগবৈ), নৱম স্থান বিপিন মুণ্ডা (১২০০ শ, মৰিয়নি) আৰু খগেন কুৰ্মীয়ে (১২০০ শ, গোলাঘাট) দশম স্থান লাভ কৰি নগদ ধন,ট্ৰফী, মেডেল, মানপত্ৰ লাভ কৰিবলৈ সক্ষম হয়। মহিলাৰ মুকলি শাখাত দ্বিতীয় স্থান লিলি ফাংচপী(১৫,০০০ হাজাৰ, ডিফু), তৃতীয় স্থান লক্ষী ভূমিজ (১২,০০০ হাজাৰ, ডিগবৈ), চতুৰ্থ স্থান সবিতা কুমাৰী (১২০০ শ, ডিব্ৰুগড়), পঞ্চম স্থান পাৰ্বতী কুম্ভকাৰ (১২০০ শ, চাবুৱা), ষষ্ঠ স্থান বাৰিষা খেমডেইট (১২০০ শ, মেঘালয়), সপ্তম স্থান ফুলমণি উৰাং (১২০০ শ, তিনিচুকীয়া), অষ্টম স্থান ৰুমিলা টেৰণপী (১২০০ শ, কাৰ্বি আংলং), নৱম স্থান নয়নমণি দিহিঙীয়া (১২০০ শ, ডিব্ৰুগড়) আৰু সুৰেষা খাৰিয়াই (১২০০ শ, ৰাজগড়) দশম স্থান লাভ কৰি নগদ ধন, ট্ৰফী, মেডেল, মানপত্ৰ লাভ কৰিবলৈ সক্ষম হয়। এই প্ৰতিযোগিতাত ১৬ বছৰৰ অনুৰ্ধ ল'ৰাৰ শাখাত মৰিয়নিৰ ধৰ্মেশ্বৰ গঞ্জু আৰু মাজুলীৰ পুলী দলেয়ে ছোৱালীৰ শাখাত শ্ৰেষ্ঠত্ব অৰ্জন কৰি নগদ ৮,০০০ হাজাৰ টকাকৈ লাভ কৰাৰ লগতে ট্ৰফি, মেডেল, মানপত্ৰ লাভ কৰিবলৈ সক্ষম হৈছে। ল'ৰাৰ শাখাত দ্বিতীয় স্থান সঞ্জীৱ দলে (৬০০০ হাজাৰ, মাজুলী), তৃতীয় স্থান হোমেন সেনাপতি (৪০০০ হাজাৰ, লখিমপুৰ), চতুৰ্থ স্থান চৰচেহন ক্ৰ (৮০০ শ, কাৰ্বি আংলং), পঞ্চম স্থান দিনৰাম পেগু (৮০০ শ, মাজুলী), ষষ্ঠ স্থান ভাস্কৰ ভূমিজ (৮০০ শ, চাবুৱা), সপ্তম স্থান ৰমেন ৰাজপুট (৮০০ শ, লাহোৱাল), অষ্টম স্থান ৰজনী দলে (৮০০ শ, লখিমপুৰ), নৱম স্থান মিলন দাস (৮০০ শ, ডিব্ৰুগড়) আৰু হৰ্ষিত দহোতিয়াই (৮০০ শ, ডিব্ৰুগড়) দশম স্থান লাভ কৰি নগদ ধন, ট্ৰফী, মেডেল, মানপত্ৰ লাভ কৰিবলৈ সক্ষম হয়। ছোৱালীৰ শাখাত দ্বিতীয় স্থান অদিতি বৰফুকন(৬০০০ হাজাৰ, ডিব্ৰুগড় ), তৃতীয় স্থান নিশিতা ছেত্ৰী (৪০০০ হাজাৰ, ডিব্ৰুগড়), চতুৰ্থ স্থান মৌচুমী তাঁতী (৮০০ শ, চাবুৱা), পঞ্চম স্থান ৰিয়া বেগম (৮০০ শ, চাবুৱা), ষষ্ঠ স্থান শ্ৰুতি হাজৰিকা (৮০০ শ, ডিব্ৰুগড়), সপ্তম স্থান জেছিফা বৰা (৮০০ শ, ডিব্ৰুগড়), অষ্টম স্থান প্ৰগতি দিহিঙীয়া (৮০০ শ, ডিব্ৰুগড়), নৱম স্থান পৰিস্মিতা ধৰ (৮০০ শ, ডিব্ৰুগড়) আৰু সুদিপ্তা গগৈয়ে (৮০০ শ, ডিব্ৰুগড়) দশম স্থান লাভ কৰি নগদ ধন, ট্ৰফী, মেডেল, মানপত্ৰ লাভ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাখনিৰ বিজয়ী খেলুৱৈসকলক নগদ ধন আৰু ট্ৰফী প্ৰদান কৰে উপস্থিত নিমন্ত্ৰিত অতিথিসকলে। বঁটা বিতৰণী সভাত মহাবিদ্যালয়ৰ অধ্যক্ষা ড° নিবেদিতা ফুকন, উপাধ্যক্ষা ড° অঞ্জু বৰা, ক্ৰীড়াবিদ জে. বিৰেণ সিং, থানেশ্বৰ শইকীয়া, বিমল গগৈ, বিপুল চুতীয়া, সত্য বৰুৱা, সঞ্চিতা দুৱৰা, অনুজ বৰুৱা আদি বিশিষ্ট ব্যক্তিসকলে বঁটাসমূহ প্ৰদান কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ক্ৰীড়া সঞ্চালক থানেশ্বৰ শইকীয়াদেৱে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক এনে প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে গুৰুত্বপূৰ্ণ মন্তব্য কৰে যে, অসমৰ মহাবিদ্যালয়সমূহৰ ভিতৰত অসম ভিত্তিত মাৰাথন প্ৰতিযোগিতা পতা মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়েই হৈছে প্ৰথমখন মহাবিদ্যালয়। উল্লেখ্য যে, এই প্ৰতিযোগিতাৰ নগদ ধনৰাশিৰ বাবদ প্ৰয়োজন হোৱা এক লাখ ষাঠি হাজাৰ টকা প্ৰদান কৰিছে মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° অঞ্জু বৰায়। মহাবিদ্যালয়ৰ অধ্যক্ষা ড° নিবেদিতা ফুকনে প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰা প্ৰতিযোগী, ডিব্ৰুগড় জিলাৰ ক্ৰীড়া সন্থাৰ বিশিষ্ট বিচাৰকসকল, নেহৰু যুৱ কেন্দ্ৰৰ বিষয়ববীয়া, ডিব্ৰুগড় গুৰুদ্বাৰ সিং সমিতিৰ বিষয়ববীয়া, নগদ ধনৰাশিৰে সহযোগিতা আগবঢ়োৱা বিভিন্ন ব্যক্তি, মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰতিযোগিতাখনি সাফল্যমণ্ডিত কৰি তোলা ডিব্ৰুগড়ৰ ৰাইজক কৃতজ্ঞতা আৰু শলাগ জ্ঞাপন কৰে।